নং ঃ ৩৬৩/২০২১

# মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণৰ কাম-কাজৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## জিলাখনৰ উন্নয়নৰ যাত্ৰাত এই দলংখনে নতুন মাত্ৰা প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

## বিষয়া আৰু কৰ্মচাৰীৰ আৱাস গৃহৰ শুভ উদ্বোধনৰ লগতে মাজুলীৰ সাংবাদিকসকলৰ সৈতে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৯ নৱেম্বৰ ঃ** মাজুলীৰ যোগাযোগ ব্যৱস্থাত এক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে ৮.২৫ কিঃমিঃ দৈৰ্ঘ্যৰ মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণকাৰ্যৰ লগতে ইয়াৰ এপ্ৰ'চ নিৰ্মাণৰ কাম-কাজৰ শুভাৰম্ভ কৰে।

উল্লেখ্য যে এই দলং নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে ৯২৫.৪৭ কোটি টকাৰ অনুমোদন জনাইছে। এই প্ৰকল্পটো লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰীজ কনষ্ট্ৰাকশ্যন লিমিটেডে ৰূপায়ণ কৰিব। প্ৰকল্পটো সম্পূৰ্ণ কৰাৰ সময়সীমা ৪ বছৰ (৪৮ মাহ) ধাৰ্য কৰা হৈছে।

এই উপলক্ষে মাজুলীৰ দক্ষিণপাটত আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো মাজুলীবাসীৰ বাবে এক ঐতিহাসিক দিন বুলি কয়। মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণৰ কাম-কাজৰ শুভাৰম্ভণী কৰাটো এক মাইলৰ খুতি হিচাপে চিহ্নিত হ'ব আৰু ইয়ে সমগ্ৰ জিলাখনৰ উন্নয়নী যাত্ৰাক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই দলংখন নিৰ্মাণৰ বাবে মাজুলীবাসীয়ে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছিল। দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে মাজুলী আৰু যোৰহাটৰ মাজৰ যোগাযোগ ব্যৱস্থাৰ দৃশ্যপট সলনি হৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে বহু প্ৰতীক্ষিত এই প্ৰকল্পটো অনুমোদন কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। দলংখন নিৰ্মাণৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে লোৱা সক্ৰিয় ভূমিকাৰ দিশটো আঙুলিয়াই মুখ্যমন্ত্ৰীয়ে কয় যে তেখেতৰ এই আশাশুধীয়া প্ৰচেষ্টাৰ ফলতেই আজি এই সপোন বাস্তৱায়িত হৈছে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই প্ৰকল্পৰ অগ্ৰগতিৰ নিয়মীয়াভাৱে নিৰীক্ষণৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে এখন কেবিনেট কমিটী গঠন কৰিছে। চৰকাৰে এই দলংখন ২০২৫ বৰ্ষৰ নৱেম্বৰত উদ্বোধন কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে বুলিও তেওঁ কয়। এই দলংখনৰ বাবে ৰাজ্য চৰকাৰে নিজৰ ফালৰ পৰা প্ৰায় ২০০ কোটি টকা ব্যয় কৰিব বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে নিজস্ব পুঁজিৰ ৭৫০ কোটি টকা ব্যয়ৰে ধুনাগুৰিত মাজুলী-

লখিমপুৰ সংযোগী এখন নতুন দলং নিৰ্মাণৰ পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নিমাতীঘাটত সংঘটিত হোৱা শোকাৱহ নাও দুৰ্ঘটনাৰ পিছত যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰী সেৱাৰ সংহত তথা শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপসমূহৰ বিষয়েও উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে মিছন বসুন্ধৰাৰ অধীনত ৰাজহ প্ৰশাসনৰ দিশত হোৱা গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ বিষয়েও উল্লেখ কৰে। এই প্ৰসংগত তেওঁ কয় যে এই বছৰৰ ২ অক্টোবৰত আৰম্ভ কৰা এই অভিযানে জনসাধাৰণক বৃহৎ পৰিমাণে সহায় কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে জনতা ভৱনৰ বিভিন্ন বিভাগৰ পুৰণি ফাইলসমূহ নিষ্পত্তি কৰাৰ দিশত ৰাজ্য চৰকাৰে অচিৰেই “মিছন সদভাৱনা” নামৰ এক অভিযান আৰম্ভ কৰিব।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ‘অসম মাইক্ৰ’ফাইনেন্স উদগণি আৰু ৰেহাই আঁচনি, ২০২১’ৰ অধীনত জিলাখনৰ হিতাধিকাৰীসকললৈ ধনৰাশিৰ চেক প্ৰদান কৰে। এই আঁচনিৰ অধীনত মাজুলীৰ সৰ্বমুঠ ৫৩৩ গৰাকী হিতাধিকাৰী উপকৃত হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে মাজুলী-যোৰহাট দলঙ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণত ক্ষতিগ্ৰস্ত ৫ টা পৰিয়াললৈ ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণৰ চেক প্ৰদান কৰে।

অনুষ্ঠানত শক্তি, ক্ৰীড়া, সাংস্কৃতিক পৰিক্ৰমা ইত্যাদি বিভাগৰ মন্ত্ৰী তথা মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাইও ভাষণ প্ৰদান কৰে। মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্তই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত লোকনিৰ্মাণ (ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ মুখ্য অভিযন্তা মুকুল চন্দ্ৰ দাসে মাজুলী-যোৰহাট সংযোগী দলঙৰ বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত বিধায়ক নৱ কুমাৰ দলে, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য কুমুদ কছাৰী, মাজুলী জিলা পৰিষদৰ সভাপতি পাপু হাজৰিকা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংস্কৃতিক পৰিক্ৰমা ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত সংহত কাৰ্যালয় তথা আৱাসিক গৃহ প্ৰকল্পৰ অধীনত নিৰ্মাণ কৰা বিষয়াৰ আৱাস (তিনিটা ব্লক, ১২ টা ইউনিট) আৰু তৃতীয় বৰ্গৰ কৰ্মচাৰীৰ আৱাসগৃহ (এটা ব্লক, ৮টা ইউনিট) আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উল্লেখ্য যে এই প্ৰকল্পৰ অধীনত ৫০ কোটি টকা ব্যয়ৰে মাজুলীৰ সংহত উপায়ুক্তৰ কাৰ্যালয়, স্থান উন্নয়ন আৰু বিষয়া তথা কৰ্মচাৰীৰ আৱাসগৃহ নিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হৈছে।

মাজুলীত উপস্থিত হৈয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেৰেলাগাঁৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী ঔৱা সত্ৰ দৰ্শন কৰি ৰাজ্যখনৰ জনসাধাৰণৰ কুশল-মঙ্গল কামনা কৰি সেৱা আগবঢ়ায়।

মাজুলী-যোৰহাট দলং নিৰ্মাণৰ কাম শুভাৰম্ভ কৰাৰ পিছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি মাজুলী জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত মাজুলী জিলা সাংবাদিক সংস্থা আৰু আপ্কুৰ মাজুলী জিলা গোটৰ বিষয়ববীয়া

তথা সদস্য-সদস্যাসকলৰ সৈতে মত-বিনিময় কৰি সাংবাদিকসকলৰ কল্যাণৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে তেওঁলোকে উত্থাপন কৰা সকলোবোৰ গুৰুত্বপূৰ্ণ বিষয় সমাধানৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে।

**বীঃগঃ / বঃভাঃ**
**২৯-১১-২০২১**